**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-06-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::::::::**

***<u>HEADLINE</u>***

১। সমগ্ৰ বিশ্বই অনিশ্চয়তা আৰু অস্থিৰতাৰ সময় পাৰ কৰাৰ মাজতে ভাৰতে আত্মবিশ্বাস আৰু দৃঢ় সংকল্পৰে বিকাশৰ দিশত অগ্ৰসৰ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ভাৰতৰ দীৰ্ঘ সময়ৰ নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হোৱাৰ বাবে প্ৰধানমন্ত্ৰী মোদীক কেইবাখনো দেশৰ মুৰব্বীয়ে অভিনন্দন জ্ঞাপন কৰিছে।

৩। উত্তৰ ওমানৰ ছিনাছ বন্দৰৰ সমীপত এখন বাণিজ্যিক টেংকাৰত জুই লগাৰ ফলত সামুদ্ৰিক জৰুৰী অৱস্থা সৃষ্টি হৈছে।

৪। বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আজিৰেপৰা ১৯ জুলাইলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিক'ৰ ১৬ টা স্থানত অনুষ্ঠিত হ'ব।

*আৰু*

৫। পি ভি সিন্ধু আৰু তন্‌ভি শৰ্মা অষ্ট্ৰেলিয়ান অ'পেন বেডমিণ্টনৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

সমগ্ৰ বিশ্বই অনিশ্চয়তা আৰু অস্থিৰতাৰ সময় পাৰ কৰাৰ মাজতে ভাৰতে আত্মবিশ্বাস আৰু দৃঢ় সংকল্পৰে বিকাশৰ দিশত অগ্ৰসৰ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আজি নীতি আয়োগৰ পৰিচালনা পৰিষদৰ একাদশ বৈঠকত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতে বিকশিত ভাৰতৰ দৰ্শন প্ৰাপ্তিৰ দিশত আগবঢ়াৰ লগে লগে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ সামূহিক দায়বদ্ধতাও বৃদ্ধি পাইছে। ৰাজ্যসমূহৰ মাজত সহযোগিতা, আলোচনা আৰু বিচাৰধাৰাৰ আদান-প্ৰদান হোৱা উচিত বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে এই ক্ষেত্ৰত নীতি আয়োগে এখন মঞ্চ হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। প্ৰধানমন্ত্ৰী মোদীয়ে গুণগত মানৰ শিক্ষা, প্ৰয়োজনীয় দক্ষতা আৰু নিয়োগৰ সুযোগ প্ৰদানৰ জৰিয়তে দেশৰ যুৱচামৰ বাবে সঠিক পৰিস্থিতিতন্ত্ৰ গঢ়ি তোলাটো মূলতঃ অগ্ৰাধিকাৰ হ'ব লাগে বুলি মন্তব্য কৰে। তেওঁ লগতে কয় যে বিকশিত ভাৰত নিৰ্মাণৰ যাত্ৰাত সবলীকৃত যুৱ চামে চালিকাশক্তি হিচাপে কাম কৰিব। ভাৰতে বিকাশ আৰু ৰপ্তানিৰ নতুন সুযোগ সৃষ্টিৰ বাবে কেইবাখনো দেশৰ সৈতে মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰিত কৰাৰ কথাও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মহিলা নেতৃত্বাধীন বিকাশ বিকশিত ভাৰত দৰ্শনৰ এটা উল্লেখনীয় দিশ বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে

মহিলাসকলৰ সম্ভাৱনা বিকশাই তোলা আৰু দেশৰ উন্নয়নৰ যাত্ৰাত ইন্ধন যোগোৱাৰ বাবে ৰাজ্যসমূহে মহিলাৰ শিক্ষা, দক্ষতা, নিৰাপত্তা আৰু সবলীকৰণত প্ৰাধান্য দিয়া উচিত।

আজিৰ বৈঠকত সমগ্ৰ দেশত উদ্যমশীলতা, দক্ষতা বিকাশ আৰু কৰ্ম সংস্থাপনৰ স্থায়ী সুযোগ সৃষ্টিৰ উপায় সম্পৰ্কে আলোচনা কৰা হৈছে।

বৈঠকত দেশৰ বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উপ-ৰাজ্যপালসকলে ভাগ লৈছে। সম্প্ৰতি দিল্লী ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও বৈঠকত অংশগ্ৰহণ কৰিছে।

ooooo

ভাৰতৰ দীৰ্ঘ সময়ৰ নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কেইবাখনো দেশৰ মুৰব্বীয়ে অভিনন্দন জ্ঞাপন কৰিছে। ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী ল'ৰেন্স ৱং, নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী খ্ৰীষ্টোফাৰ লাক্সন, জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ফুমিঅ' কিছিদা আৰু গুয়ানাৰ ৰাষ্ট্ৰপতি ড০ ইৰফান আলীয়ে প্ৰধানমন্ত্ৰীগৰাকীক অভিনন্দন জনোৱাৰ বাবে শ্ৰী মোদীয়ে কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে তেওঁ ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে দুয়োখন ৰাষ্ট্ৰৰ ব্যাপক কৌশলগত অংশীদাৰিত্বক আগুৱাই নিয়াৰ সন্দৰ্ভত আলোকপাত কৰে। প্ৰধানমন্ত্ৰী লাক্সনক কৃতজ্ঞতা জ্ঞাপন কৰি শ্ৰী মোদীয়ে কয়, যে ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ মুক্ত বাণিজ্য চুক্তিয়ে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক উন্নীত কৰিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী ফুমিঅ' কিছিদাক জাপান-ইণ্ডিয়া এছ'চিয়েছনৰ অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ বাবে শ্ৰী মোদীয়ে অভিনন্দন জনা। তেওঁৰ নেতৃত্বত সংস্থাটোৱে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰিব বুলি শ্ৰী মেদীয়ে আশা প্ৰকাশ কৰে।

ooooo

সংযুক্ত আৰব আমিৰীৰ ৰাষ্ট্ৰপতি মহম্মদ বিন যায়েদ আল নাহিয়ালে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশৰ দীৰ্ঘদিনীয়া নিৰ্বাচিত প্ৰধানমন্ত্ৰী হোৱাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাত শ্বেইখ মহম্মদে প্ৰধানমন্ত্ৰী শ্ৰী মোদীক আধুনিক ভাৰতৰ ইতিহাসত নিৰ্বাচিত চৰকাৰৰ মুৰব্বী হিচাপে সৰ্বাধিক নিৰন্তৰ কাৰ্যকাল অৰ্জন কৰাৰ বাবে অভিনন্দন জনায়। তেওঁ শ্ৰী মোদীৰ নেতৃত্বত ভাৰতৰ সফলতা কামনা কৰাৰ লগতে যোৱা কিছু বছৰ ইউ এ ই আৰু ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্কৰ উল্লেখযোগ্য অগ্ৰগতি সন্দৰ্ভত আলোকপাত কৰে। ইউ এ ইৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দুয়োখন দেশৰ সমৃদ্ধিৰ বাবে দেশ দুখনৰ প্ৰচেষ্টাই এই দ্বিপাক্ষিক সম্পৰ্কত উল্লেখযোগ্য পৰিৱৰ্তন আনিছে। এই দ্বিপাক্ষিক সম্পৰ্কত আস্থা প্ৰকাশ কৰি তেওঁ কয়, যে দুয়োখন দেশৰ মাজত ব্যাপক কৌশলগত অংশীদাৰিত্বৰ অধীনত আগন্তুক পৰ্যায়ত অধিক উন্নতিৰ সম্ভাৱনা আছে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি একেৰাহে চাৰি হাজাৰ ৩৯৯ দিন কাৰ্যভাৰ সম্পূৰ্ণ কৰি ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ চাৰি হাজাৰ ৩৯৮ দিনৰ কাৰ্যভাৰৰ অভিলেখ অতিক্ৰম কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তৃতীয় কাৰ্যকালত এই সাফল্যই তেওঁক আধুনিক ভাৰতৰ ইতিহাসত সৰ্বাধিক দীৰ্ঘদিনীয়া কাৰ্যভাৰ গ্ৰহণ কৰা নিৰ্বাচিত চৰকাৰৰ মুৰব্বী হিচাপে স্বীকৃতি দিছে।

ooooo

উত্তৰ ওমানৰ ছিনাছ বন্দৰৰ সমীপত এখন বাণিজ্যিক টেংকাৰত জুই লগাৰ ফলত সামুদ্ৰিক জৰুৰী অৱস্থা সৃষ্টি হৈছে। যোৱা ৭২ ঘণ্টাত ভাৰতীয় ওমানৰ জলভাগত ভাৰতীয় কৰ্মচাৰী থকা জাহাজত সংঘটিত এইটো

তৃতীয়টো ঘটনা। মাছকাটত থকা ভাৰতীয় দূতাবাসে ওমানৰ উপকূলত এখন জাহাজত এনে ঘটনা এটা ঘটাৰ বিষয়ে জানিবলৈ পোৱা বুলি নিশ্চিত কৰিছে আৰু স্থানীয় কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰি পৰিস্থিতি সন্দৰ্ভত বুজ লৈ আছে। এই জাহাজখন ২০ জন ভাৰতীয় নাবিক থকা গিনী-বিছাঅ'ৰ পতাকাযুক্ত এম টি জলবীৰ বুলি চিনাক্ত কৰা হৈছে। ওমানৰ কৰ্তৃপক্ষই এই ঘটনাটোত জৰুৰীকালীন সহায়ৰ বাবে প্ৰয়াস চলাই আছে। অৱশ্যে এই টেংকাৰখনত জুই লগাৰ কাৰণ এতিয়াও নিশ্চিত কৰিব পৰা হোৱা নাই। জলবীৰৰ ঘটনাটো ক্ৰমবৰ্ধমান সংকটৰ সময়তে সংঘটিত হৈছে।

আনহাতে যোৱা নিশা ওমান উপকূলত আমেৰিকাৰ আক্ৰমণৰ বলি হোৱা পালাউৰ পকাতাযুক্ত এম টি ছেটেবেল্ল' নামৰ জাহাজখনত থকা ৩ জন ভাৰতীয় নাৱিকৰ মৃত্যু হোৱাটো নিশ্চিত কৰা হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এম টি ছেটেবেল্ল' থকা ৩ জন ভাৰতীয় নাবিকৰ মৃত্যু হোৱাৰ কথাটো নিশ্চিত কৰি এয়া দেশৰ বাবে ক্ষতি বুলি অভিহিত কৰিছে। আমেৰিকাৰ এখন যুদ্ধ বিমানৰ পৰা জাহাজখনৰ ইঞ্জিনলৈ লক্ষ্য কৰি কৰা গোলাবৰ্ষণত এই ঘটনাটো সংঘটিত হয়। হাজাজখনত থকা ২৪ জন ভাৰতীয় নাগৰিকৰ ভিতৰত ২১ জনক ওমানৰ উদ্ধাৰকাৰী দলে উদ্ধাৰ কৰে। আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সংস্থাৰ সচিব প্ৰধানে নাবিকসকলৰ জীৱন আৰু আন্তঃৰাষ্ট্ৰীয় জাহাজ পৰিবহনৰ সুৰক্ষা বিপন্ন কৰিব পৰা যিকোনো পক্ষৰে এনে কাৰ্যক গৰিহণা দিছে। ছেটেবেল্ল'ৰ এই আক্ৰমণটো দুদিনৰ ভিতৰত ঘটা একেধৰণৰ দ্বিতীয়টো ঘটনা আছিল। যোৱা ৮ জুনত এম টি মেৰিভেক্স নামৰ জাহাজখন একেই জলভাগত আমেৰিকাৰ আক্ৰমণৰ ফলত বিকল হৈ পৰিছিল। জাহাজখনত থকা ২৪ জন ভাৰতীয় নাবিকক ওমানৰ কৰ্তৃপক্ষই সুৰক্ষিত ভাবে উদ্ধাৰ কৰে। জাহাজ পৰিবহন মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে ছেটেবেল্ল'ৰ ঘটনাত উদ্ধাৰ কৰা ২১ জন নাবিকৰ লগতে মৃতদেহসমূহ স্বগৃহলৈ ক্ষীপ্ৰতাৰে ঘূৰাই অনাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে।

০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আজিৰেপৰা ১৯ জুলাইলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিক'ৰ ১৬ টা স্থানত অনুষ্ঠিত হ'ব। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত এইবাৰ প্ৰথম বাৰৰ বাবে ৩২ খন দেশৰ পৰিৱৰ্তে ৪৮ খন দেশে অংশগ্ৰহণ কৰিব। এই দলসমূহক ১২ টা গ্ৰুপত ভাগ কৰা হৈছে আৰু প্ৰতিটো গ্ৰুপত চাৰিটাকৈ দল থাকিব। প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দল দুটাই পোনপটীয়াকৈ নক-আউট পৰ্যায়ত প্ৰৱেশ কৰিব। ইয়াৰ উপৰি তৃতীয় স্থানত থকা দল কেইটাও নক-আউট পৰ্যায়লৈ যোগ্যতা লাভ কৰিব।

প্ৰতিযোগিতাত মুঠ ১০৪ খন খেল অনুষ্ঠিত হ'ব। ইয়াৰে ভিতৰত ৭২ খন গ্ৰুপ পৰ্যায়ত আৰু ৩২ খন নক-আউট পৰ্যায়ৰ খেল আছে। ফাইনেল খেল ১৯ জুলাইত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি আয়োজক দেশ মেক্সিক', দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

পি ভি সিন্ধু আৰু তন্‌ভি শৰ্মা অষ্ট্ৰেলিয়ান অ'পেন বেডমিণ্টনৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছিডনীত আজি অনুষ্ঠিত এখন খেলত দুবাৰকৈ অলিম্পিক পদক বিজয়ী সিন্ধুৱে ভাৰতৰ ঈষাৰণী বৰুৱাক ২২-২০, ২১-১২ গেমত পৰাস্ত কৰে। সিন্ধুৱে পৰৱৰ্তী খেলখনত ছেন ছু ইউৰ মুখামুখি হ'ব। আন এখন খেলত তনভি শৰ্মাই মালৱিকা বংসোড়ক ২১-১৩, ২১-১৫ গেমত পৰাস্ত কৰে।

ইপিনে পুৰুষৰ ডাবলছত ভাৰতীয় যুটী এম আৰ অৰ্জুন আৰু হৰিহৰণ আমচাকৰুনানে নিউজিলেণ্ডৰ মাইকেল ৰেন আৰু ডায়লন ছ'ৰেটজাছাক ২১-১৭, ২১-৭ গেমত পৰাস্ত কৰি শীৰ্ষ আঠটা দলৰ ভিতৰত স্থান লাব কৰিছে। আনহাতে পুৰুষৰ ছিংগলছত কিৰণ জৰ্জ, সানিথ দয়ানন্দ আৰু তৰুণ মানেপল্লীয়ে নিজ নিজ ৰাউণ্ডত পৰাজিত হৈ প্ৰতযোগিতাৰ পৰা বিদায় লৈছে।

০০০০০

আই আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেটৰ দশম সংস্কৰণৰ খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। বাৰ্মিংহামৰ এজবাষ্টনত হ'বলগীয়া উদ্বোধনী খেলখনত আয়োজক দেশ ইংলেণ্ড শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইংলেণ্ড আৰু ৱেলছত মাহজুৰি  হ'বলগীয়া এই প্ৰতিযোগিতাৰ ফাইনেল খেলখন ৫ জুলাইত লৰ্ডছ্ ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব। ভাৰতীয় মহিলা দলটোৱে অহা দেওবাৰে নিজৰ প্ৰথমখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটোক হৰমন প্ৰীত কৌৰে নেতৃত্ব দিয়ে।

০০০০০

ঃঃ সমাপ্ত ঃঃ